# REGIONAL NEWS UNIT

ALL INDIA RADIO, GUWAHATI

0000000000

**Date :** 27-JAN-2026

**Time :** 0900  Hrs

***Assamese Morning Bulletin***

***Headlines***

------------------------------

১। স্বতন্ত্ৰতাৰ মন্ত্ৰ ঃ বন্দে মাতৰম আৰু সমৃদ্ধিৰ মন্ত্ৰ ঃ আত্মনিৰ্ভৰ ভাৰত মূল বাণীৰে দেশজুৰি ৭৭ সংখ্যক গণৰাজ্য দিৱস পালন।

২। কাইলৈৰ পৰা সংসদৰ বাজেট অধিৱেশন।

৩। কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহৰ অহা ৩০ জানুৱাৰীত ডিব্ৰুগড়ত অসম বিধানসভাৰ দ্বিতীয়টো চৌহদৰ আধাৰশিলা স্থাপন।

৪। এডভাণ্টেজ আছামৰ দ্বিতীয় সংস্কৰণৰ বুজাবুজিৰ চুক্তি মৰ্মে তিনিচুকীয়াত ৰাজ্যৰ দ্বিতীয়খন দক্ষতা বিশ্ববিদ্যালয়ৰ আধাৰশিলা স্থাপন। ***আৰু***

৫। ৰাঁচী ৰয়েলছক পৰাস্ত কৰি বেদান্ত কালিংগা লেন্সাৰ্ছৰ পুৰুষ হকী ইণ্ডিয়া লীগৰ খিতাপ দখল।

০০০০০০

৭৭ সংখ্যক গণৰাজ্য দিৱস কালি দেশজুৰি উৎসাহ-উদ্দীপনাৰে উদযাপন কৰা হয়। ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে নতুন দিল্লীৰ কৰ্তব্যপথৰ পৰা গণৰাজ্য দিৱস উদযাপনত ৰাষ্ট্ৰক নেতৃত্ব দিয়ে। এইবাৰৰ গণৰাজ্য দিৱসত স্বতন্ত্ৰতাৰ মন্ত্ৰ ঃ বন্দে মাতৰম আৰু সমৃদ্ধিৰ মন্ত্ৰ ঃ আত্মনিৰ্ভৰ ভাৰত এই বাণী মূল আধাৰ হিচাপে গ্ৰহণ কৰা হৈছে। নতুন দিল্লীৰ কৰ্তব্যপথত গণৰাজ্য দিৱসৰ আকৰ্ষণীয় কুচ-কাৱাজত প্ৰতিবছৰৰ দৰেই এইবাৰো দেশৰ বৰ্ণাঢ্য সংস্কৃতি আৰু সামৰিক শক্তিৰ অনবদ্য প্ৰদৰ্শন দেখিবলৈ পোৱা যায়। এই কুচ-কাৱাজত ৰাজ্যৰ প্ৰতীকপট হিচাপে ধুবুৰীৰ আশাৰীকান্দিৰ বিখ্যাত পোৰামাটিৰ শিল্পই সমগ্ৰ দেশবাসীৰে দৃষ্টি আকৰ্ষণ কৰিবলৈ সমৰ্থ হয়। এইবাৰৰ কুচকাৱাজত ব্ৰহ্মচ ছুপাৰ ছনিক ক্ষেপণাস্ত্ৰ প্ৰণালী, টি-নাইনটি ভীষ্ম টেংক, অৰ্জুন মূল যুদ্ধ টেংক, আপাচে ছিক্সটি এইট হেলিকপ্টাৰ প্ৰদৰ্শনৰ লগতে ৰব'টিক দ'গ, মানৱবিহীন সেনা বাহন-নিগ্ৰহ আদি ভাৰতীয় প্ৰতিৰক্ষা বাহিনীৰ পৰাক্ৰম প্ৰদৰ্শন কৰা হয়।

ইয়াৰ পাছত ৰাষ্ট্ৰপতি ভৱনত অনুষ্ঠিত বিশেষ অনুষ্ঠানত উত্তৰ-পূৰ্বৰ সুস্বাদু খাদ্য আৰু কলা-সংস্কৃতিৰে অতিথিসকলক আদৰণি জনোৱা হয়।

গুৱাহাটীৰ খানাপাৰাৰ অসম পশু চিকিৎসা বিজ্ঞান মহাবিদ্যালয় খেলপথাৰত গণৰাজ্য দিৱসৰ কাৰ্যসূচীত ৰাজ্যপাল লক্ষ্মণ প্ৰসাদ আচাৰ্যই পতাকা উৰুৱায়। নিজৰ ভাষণত ৰাজ্যপালগৰাকীয়ে দেশৰ কষ্টোপাৰ্জিত স্বাধীনতা প্ৰমূল্য বৰ্তাই ৰাখিবলৈ ৰাজ্যবাসীৰ প্ৰতি আহ্বান জনায়। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই ডিব্ৰুগড় জিলাৰ খনিকৰ খেলপথাৰত আয়োজিত গণৰাজ্য দিৱসৰ কাৰ্যসূচীত পতাকা উৰুৱায়। ইয়াৰ পূৰ্বে মুখ্যমন্ত্ৰীয়ে দেশৰ হকে প্ৰাণ আহুতি দিয়া ছহিদৰ প্ৰতি খনিকৰ খেলপথাৰত শ্ৰদ্ধা তৰ্পণ কৰে। এই উপলক্ষে দিয়া ভাষণত মুখ্যমন্ত্ৰীয়ে লাখ লাখ স্বাধীনতা সংগ্ৰামীৰ ত্যাগ আৰু বীৰ ছহিদসকলৰ বলিদানক ত্ৰিৰংগ পতাকাৰ গৌৰৱে প্ৰতিনিধিত্ব কৰে বুলি মত প্ৰকাশ কৰে। ৰাজ্য চৰকাৰৰ মন্ত্ৰীসকলেও ৰাজ্যৰ বিভিন্ন জিলা-সমজিলাত গণৰাজ্য দিৱসৰ কাৰ্যসূচীত অংশগ্ৰহণ কৰে।

০০০০০০

কাইলৈৰ পৰা সংসদৰ বাজেট অধিৱেশন অনুষ্ঠিত হ'ব। ২ এপ্ৰিলত এই অধিৱেশনৰ সামৰণি পৰিব। ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে সংসদৰ উভয় সদনক উদ্দেশি দিয়া ভাষণেৰে অধিৱেশন মুকলি কৰা হ'ব। কাইলৈৰ পৰা ১৩ ফেব্ৰুৱাৰীলৈ অধিৱেশনৰ প্ৰথম পৰ্যায় আৰু ৯ মাৰ্চৰ পৰা ২ এপ্ৰিললৈ দ্বিতীয় পৰ্যায়ৰ কাম-কাজসমূহ চলিব। পহিলা ফেব্ৰুৱাৰীত বিত্তমন্ত্ৰী নিৰ্মলা সীতাৰমণে ২০২৬-২৭ বৰ্ষৰ কেন্দ্ৰীয় বাজেট উত্থাপন কৰিব।

বাজেট অধিৱেশনৰ পূৰ্বে কেন্দ্ৰীয় সংসদীয় পৰিক্ৰমা মন্ত্ৰী কিৰেন ৰিজিজুৱে কেতবোৰ গুৰুত্বপূৰ্ণ ৰাষ্ট্ৰীয় বিষয়ৰ লগতে সদনৰ কাম-কাজ সন্দৰ্ভত আলোচনা কৰাৰ উদ্দেশ্যে আজি দিনৰ ১১ বজাত এখন সৰ্বদলীয় বৈঠকৰ আহ্বান কৰিছে।

০০০০০০

কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে অহা ৩০ জানুৱাৰীত ডিব্ৰুগড়ত অসম বিধানসভাৰ দ্বিতীয়টো চৌহদৰ আধাৰশিলা স্থাপন কৰিব। ডিব্ৰুগড়ক অসমৰ দ্বিতীয়খন ৰাজধানী হিচাপে গঢ়ি তুলিবলৈ ৰাজ্য চৰকাৰে প্ৰয়োজনীয় সকলো প্ৰস্তুতি সম্পূৰ্ণ কৰিছে বুলি মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই কালি ডিব্ৰুগড়ত সদৰি কৰে। মুখ্যমন্ত্ৰীগৰাকীয়ে কালি উজনি অসমৰ শৈক্ষিক প্ৰাণকেন্দ্ৰ চহৰখনত গণৰাজ্য দিৱসৰ কাৰ্যসূচীত অংশগ্ৰহণ কৰাৰ পাছত সাংবাদিকৰ আগত এই বিষয়ে সদৰি কৰে।

**বাইট (চি এম)**

০০০০০০

২০২৬ বৰ্ষৰ হাইস্কুল শিক্ষান্ত পৰীক্ষাৰ লিখিত পৰীক্ষা অহা ১০ৰ পৰা ২৭ ফেব্ৰুৱাৰীলৈ আৰু উচ্চতৰ মাধ্যমিক চূড়ান্ত বৰ্ষৰ লিখিত পৰীক্ষাসমূহ ২৭ জানুৱাৰীৰ পৰা ৭ ফেব্ৰুৱাৰীলৈ অনুষ্ঠিত হ'ব। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই অলপতে এই কথা প্ৰকাশ কৰিছে। এইবাৰৰ হাইস্কুল শিক্ষান্ত পৰীক্ষাত ৭ হাজাৰ ৩৫৫ খন বিদ্যালয়ৰ ৪ লাখ ৩৮ হাজাৰ ৫৬৫ গৰাকী শিক্ষাৰ্থী অৱতীৰ্ণ হ'ব। উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাত ৩ হাজাৰ ১০৩ খন শিক্ষানুষ্ঠানৰ ৩ লাখ ৩০ হাজাৰ ৭৪৪ গৰাকী শিক্ষাৰ্থী অৱতীৰ্ণ হ'ব। মুখ্যমন্ত্ৰীয়ে পৰীক্ষা নিয়াৰিকৈ অনুষ্ঠিত কৰাৰ বাবে বিদ্যালয় শিক্ষা বিভাগৰ নীতি-নিয়ম মানি চলি যাৱতীয় ব্যৱস্থা গ্ৰহণ কৰিবলৈ সংশ্লিষ্ট সকলোকে আহ্বান জনায়। চলিত বছৰৰ এই পৰীক্ষাসমূহ কেৱল চৰকাৰী শিক্ষানুষ্ঠানতহে অনুষ্ঠিত কৰাৰ লগতে চৰকাৰী শিক্ষানুষ্ঠানৰ শিক্ষক-শিক্ষয়িত্ৰীহে তত্ত্বাৱধায়কৰ দায়িত্বত থাকিব বুলি মুখ্যমন্ত্ৰীয়ে প্ৰকাশ কৰে।

০০০০০০

গুৱাহাটীৰ পাঞ্জাবাৰীস্থিত শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰৰ নৱতম সংযোজন শ্ৰী শ্ৰী দামোদৰদেৱ আন্তঃজাতিক প্ৰেক্ষাগৃহৰ আজি উদ্বোধন কৰা হ'ব। মুখ্য অতিথিৰূপে মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ লগতে সাংস্কৃতিক পৰিক্ৰমা আদি বিভাগৰ মন্ত্ৰী বিমল বৰাও উদ্বোধনী অনুষ্ঠানত উপস্থিত থকাৰ কথা।

৫২ কোটি টকা ব্যয়ৰে সাজি উলিওৱা এই প্ৰেক্ষাগৃহটিত আধুনিক তথা আন্তঃৰাষ্ট্ৰীয় মানৰ বিভিন্ন সা-সুবিধা সন্নিৱিষ্ট কৰা হৈছে। ৮০০ খন আসন বিশিষ্ট প্ৰেক্ষাগৃহটোত অত্যাধুনিক সন্মিলন কক্ষ, উন্নতমানৰ আলোক আৰু শব্দ প্ৰযুক্তি, দিব্যাংগ লোকসকলৰ বাবে মঞ্চত আৰোহণৰ সুবিধাৰ্থে বিশেষ লিফ্‌ট, অত্যাধুনিক থিয়েটাৰ অভিজ্ঞতা কেন্দ্ৰ আদিৰ ব্যৱস্থা থাকিব।

০০০০০০

মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই আজি চৰাইদেউ জিলাৰ মাহমৰাত মুখ্যমন্ত্ৰী মহিলা উদ্যমিতা অভিযানৰ প্ৰাৰম্ভিক পুঁজিৰ চেকসমূহ বিতৰণ কৰিব। মাহমৰা বিধানসভাৰ গৰৌমাৰী ক্ৰীড়া প্ৰকল্পত আয়োজিত এই কাৰ্যসূচীত সমষ্টিটোৰ ২৪ হাজাৰ ৮৯৭ গৰাকী মহিলাক ১০ হাজাৰ টকাকৈ আগবঢ়োৱা হ'ব। ইয়াৰ লগতে মুখ্যমন্ত্ৰী ড০ শৰ্মাই আজি সমষ্টিটোৰ কেইবাটাও গুৰুত্বপূৰ্ণ আঁচনিৰ উদ্বোধন কৰাৰ উপৰি আধাৰশিলা স্থাপন কৰিব। মুখ্যমন্ত্ৰীৰ কাৰ্যসূচীৰ বাবে সকলো প্ৰস্তুতি সম্পূৰ্ণ কৰা বুলি জিলা প্ৰশাসনে জানিবলৈ দিছে।

০০০০০০

ৰাজ্যত অনুষ্ঠিত এডভাণ্টেজ আছামৰ দ্বিতীয় সংস্কৰণৰ সময়ত স্বাক্ষৰ কৰা বুজাবুজিৰ চুক্তি মৰ্মে কালি তিনিচুকীয়াত ৰাজ্যৰ দ্বিতীয়খন দক্ষতা বিশ্ববিদ্যালয়ৰ আধাৰশিলা স্থাপন কৰে। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই এই বিশ্ববিদ্যালয়ৰ আধাৰশিলা স্থাপন কৰি কয়, যে ইতিমধ্যে ৰাজ্য চৰকাৰৰ পৃষ্ঠপোষকতাত প্ৰথমখন দক্ষতা বিশ্ববিদ্যালয়ৰ নিৰ্মাণকাৰ্য ইতিমধ্যে মঙলদৈত আৰম্ভ কৰা হৈছে। কিন্তু উজনি অসমৰ ছাত্ৰ-ছাত্ৰীসকলৰ কাৰণে তিনিচুকীয়াত আৰম্ভ হ'বলগীয়া এই নতুন বিশ্ববিদ্যালয়খনে সম্ভাৱনাৰ সৃষ্টি কৰিব বুলি মুখ্যমন্ত্ৰী ড০ শৰ্মাই কালি আধাৰশিলা স্থাপনৰ পাছত সংবাদ মাধ্যমৰ আগত ব্যক্ত কৰে। এই বিশ্ববিদ্যালয় স্থাপনৰ বাবে ৰাজ্য চৰকাৰে ইতিমধ্যে গেলাপুখুৰী অঞ্চলত ১০৫ বিঘা ভূমিৰ আৱণ্টন দিছে। প্ৰায় ২০০ কোটি টকা ব্যয় সাপেক্ষে নিৰ্মাণ হ'বলগীয়া এই বিশ্ববিদ্যালয়ত পৰম্পৰাগত শিক্ষাৰ লগতে কৃত্ৰিম বুদ্ধিমত্তা, মেচিন লাৰ্নিং, আতিথ্য ব্যৱস্থাপনা, খাদ্য প্ৰ-সংস্কৰণ আৰু বাঁহ প্ৰযুক্তিৰ দৰে আধুনিক পাঠ্যক্ৰমৰ ব্যৱস্থা থাকিব। প্ৰায় ১০ হাজাৰ শিক্ষাৰ্থীয়ে একেলগে অধ্যয়ন কৰিব পৰা এই বিশ্ববিদ্যালয়ে প্ৰায় দুহেজাৰ ৫০০ লোকৰ বাবে কৰ্মসংস্থাপনৰ সৃষ্টি কৰিব বুলি আশা প্ৰকাশ কৰা হৈছে।

**বাইট (চি এম)**

কালিৰ আধাৰশিলা স্থাপনৰ অনুষ্ঠানত অৰুণাচল প্ৰদেশৰ উপ-মুখ্যমন্ত্ৰী চাওনা মেইন, ৰাজ্য চৰকাৰৰ শ্ৰমিক কল্যাণ আদি বিভাগৰ মন্ত্ৰী ৰূপেশ গোৱালা, প্ৰাক্তন কেন্দ্ৰীয় মন্ত্ৰী তথা সাংসদ ৰামেশ্বৰ তেলী, প্ৰাক্তন মন্ত্ৰী তথা স্থানীয় বিধায়ক সঞ্জয় কিষাণ, বিধায়ক বলিন চেতিয়া প্ৰমুখ্যে ভালেসংখ্যক বিশিষ্ট ব্যক্তি উপস্থিত থাকে।

০০০০০০

আজি বড়ো-কছাৰী জনগোষ্ঠীৰ অন্যতম ধৰ্মীয় অনুষ্ঠান বাথৌ পূজা। বড়ো জনগোষ্ঠীৰ ঘাই দেৱতা বাথৌৰ উপাসনা বছৰত দুবাৰকৈ কৰা হয়। জনগোষ্ঠীটোৰ বিশ্বাস অনুযায়ী বাথৌ হৈছে তেওঁলোকৰ পিতৃ দেৱতা। হিন্দু ধৰ্মৰ লোক দেৱতা শিৱৰ সৈতে বাথৌ দেৱতাৰ সাদৃশ্য আছে। ভাষাগত দিশৰ পৰা বাথৌ শব্দৰ ব্যুৎপত্তি বা মানে পঞ্চ আৰু থৌ মানে তত্বৰ পৰা হৈছে বুলি পণ্ডিতসকলে মত প্ৰকাশ কৰে। অৰ্থাৎ পঞ্চতত্বত বিশ্বাসী বড়ো-কছাৰীসকলে এই পূজাত সৃষ্টি কৰ্তা আৰু পূৰ্বজক প্ৰকৃতি পূজাৰ জৰিয়তে স্মৰণ কৰে। বাথৌ পূজাত সিজু আৰু তুলসী গছৰ দুটা ডাল একেলগ কৰি বাথৌ বেদীত স্থাপন কৰা হয়। ইয়াৰ লগতে উৎপাদনশীলতাৰ প্ৰতীক এটা ঘূৰণীয়া শিল আৰু কুকুৰা কণী আগবঢ়াই দেৱতাগৰাকীক উপাসনা কৰা হয়। এই পূজাত সুৰা আৰু মাংসৰ নৈবদ্য আগবঢ়োৱাৰ লগতে দেওধানী নাচ প্ৰদৰ্শন কৰি ভৱিষ্যতবাণী কৰা হয়। ইয়াৰ লগতে বাথৌ দেৱতাক সন্তুষ্ট কৰিবলৈ খেৰাই নাচো প্ৰদৰ্শন কৰা হয়। এই পূজাত দৌদিনি নামেৰে পৰিচিত দেৱতাসকলৰ প্ৰতিৰূপে মূল ভূমিকা পালন কৰে। পুৰোহিতৰ মন্ত্ৰৰ দ্বাৰা মোহিত হৈ দৌদিনিসকলে খেৰাই নাচ নাচিবলৈ আৰম্ভ কৰে। কিংবদন্তী অনুযায়ী বাথৌ দেৱতা সোণৰ জখলাৰে স্বৰ্গলোকৰ পৰা মৰ্তলৈ নামি আহিছিল। দেৱতাগৰাকীয়ে বড়ো জনগোষ্ঠীৰ লোকসকলক খেতি, চিকাৰ আৰু মাছ ধৰাৰ কৌশল শিকাইছিল বুলি জনবিশ্বাস আছে। জনগোষ্ঠীটোৰ লোকসকলে বিশ্বাস কৰে যে, তেওঁলোকৰ আবাসভূমিৰ চৌপাশৰ গছ-গছনি, নদী, পাহাৰ আৰু আকাশলৈকে সকলোতে বাথৌ দেৱতা উপস্থিত থাকে।

বিটিএডিৰ বিভিন্ন অঞ্চলৰ লগতে ৰাজ্যৰ বিভিন্ন ঠাইত বসবাস কৰা বড়ো-কছাৰী জনগোষ্ঠীৰ বাথৌ ধৰ্মীয় লোকসকলে আজি  উলহ-মালহেৰে এই পূজাৰ আয়োজন কৰিছে। চিৰাং জিলাত বাথৌ পূজাৰ প্ৰস্তুতি সন্দৰ্ভত এয়া আমাৰ সংবাদদাতা কুঞ্জমোহন ৰয়–

**(বাইট ঃ ৰয়)**

০০০০০০

আই আই টি গুৱাহাটীৰ শিক্ষাৰ্থীসকলৰ বাৰ্ষিক অনুষ্ঠান আলচেৰিঙ্গা মহোৎসৱ পৰহিলৈৰ পৰা ১ ফেব্ৰুৱাৰীলৈ অনুষ্ঠিত হ'ব। ৩০ সংখ্যক আলচেৰিঙ্গা মহোৎসৱৰ এইবাৰৰ বিশেষ আকৰ্ষণ বলীউদৰ জনপ্ৰিয় কণ্ঠশিল্পী ছান। প্ৰায় ডেৰ লাখ লোকে অংশগ্ৰহণ কৰিবলগীয়া এই মহোৎসৱত ৰাজ্যৰ হিয়াৰ আমঠু জুবিন গাৰ্গক বিশেষভাৱে সোঁৱৰণ

কৰা হ'ব। মহোৎসৱৰ প্ৰৱেশ পত্ৰ আৰু অন্যান্য আনুষ্ঠানিকতা সন্দৰ্ভত উদ্যোক্তাসকলে কালি সংবাদ মাধ্যমৰ আগত এনেদৰে কয়-

**বাইট (উদ্যোক্তা)**

০০০০০০

বেদান্তা কালিঙ্গা লেঞ্চাৰ্ছে পুৰুষ হকী ইণ্ডিয়া লীগৰ খিতাপ দখল কৰিছে। কালি ভুৱনেশ্বৰৰ কলিংগা হকী ষ্টেডিয়ামত অনুষ্ঠিত প্ৰতিযোগিতাৰ চূড়ান্ত খেলখনত দলটোৱে ৰাঞ্চি ৰয়েলছক ৩-২ গ'লত পৰাস্ত কৰে। লেঞ্চাৰ্ছৰ হৈ এলেক্সেণ্ডাৰ হেণ্ড্ৰিক্স আৰু দিলপ্ৰীত সিঙে গ'লকেইটা দিয়াৰ বিপৰীতে ৰাঞ্চি ৰয়েলছৰ হৈ অৰাইজীত সিং হুণ্ডল আৰু অধিনায়ক টম বুনে দুটা গ'ল পৰিশোধ কৰিবলৈ সমৰ্থ হয়। এই জয়ৰ সুবাদত বেদান্ত কলিংগা লেন্সাৰ্ছে ৩ কোটি টকা, বিজিত ৰাঞ্চি ৰয়েলছে ২ কোটি আৰু তৃতীয় স্থান দখল কৰা হায়দৰাবাদ টুফানছে ১ কোটি টকাৰ পুৰস্কাৰ লাভ কৰিছে। তামিলনাডু ড্ৰেগনছৰ গ'লৰক্ষক প্ৰিন্স দীপ সিঙে প্ৰতিযোগিতাখনৰ শ্ৰেষ্ঠ গ'লৰক্ষকৰ সন্মান আৰু এইচ আই এল জি চিৰ তালেম প্ৰিয়বাৰ্তাই প্ৰতিযোগিতাখনৰ উদীয়মান খেলুৱৈৰ বঁটা লাভ কৰে। ৰাঞ্চি ৰয়েলছৰ অধিনায়ক টম বুনে ১৯টা গ'ল দি প্ৰতিযোগিতাখনৰ সৰ্বোচ্চ গ'লদাতাৰ সন্মান লাভ কৰাৰ উপৰি হায়দৰাবাদ তুফান্সৰ অমনদীপ লাক্ৰাই প্ৰতিযোগিতাখনৰ শ্ৰেষ্ঠ খেলুৱৈৰ সন্মান লাভ কৰে।

০০০০০০

বতৰৰ বতৰা–

স্থানীয় বতৰৰ আগলি বতৰা অনুসৰি অহা ২৪ ঘণ্টাত গুৱাহাটী আৰু ইয়াৰ উপকণ্ঠ অঞ্চল পুৱাৰ ভাগত কুঁৱলীয়ে আৱৰি থকাৰ লগতে দিনৰ ভাগলৈ বতৰ ফৰকাল হোৱাৰ সম্ভাৱনা আছে। আজি গুৱাহাটীৰ তাপমাত্ৰা সৰ্বোচ্চ ২৮ ডিগ্ৰী ছেলছিয়াছ আৰু সৰ্বনিম্ন ১৩ ডিগ্ৰী ছেলছিয়াছ হ'ব পাৰে বুলি বৰঝাৰৰ আঞ্চলিক বতৰ বিজ্ঞান কেন্দ্ৰই আগজাননী দিছে।

এই সময়ছোৱাত অসম, মেঘালয়, নাগালেণ্ড, মণিপুৰ, মিজোৰাম, আৰু ত্ৰিপুৰাৰ বতৰ শুকান হোৱাৰ আৰু অৰুণাচল প্ৰদেশৰ বিভিন্ন স্থানত পাতলীয়া বৰষুণ হোৱাৰ সম্ভাৱনা আছে বুলি বতৰ বিজ্ঞান কেন্দ্ৰই আগলি বতৰা দিছে।

০০০০০০

পশ্চিম কাৰ্বি আংলং জিলাৰ ৯ নম্বৰ আমৰেং পৰিষদীয় সমষ্টিৰ হিজুং লাংছ'ত যোৱা নিশা বনৰীয়া হাতীৰ আক্ৰমণত এগৰাকী মহিলা নিহত হয়। নিহত মহিলাগৰাকীৰ নামৰ কাচাং ক্ৰ'পি বুলি জানিব পৰা গৈছে।

০০০০০০

যোৰহাট বাইপাছত যোৱা নিশা এটা পথ দুৰ্ঘটনাত এজন লোক নিহত হয়। ভোগদৈ দলঙৰ সমীপত এখন তীব্ৰবেগী বাহনে মহতাই নিয়াত লোকজনে প্ৰাণ হেৰুৱায়। মৃত ব্যক্তিজন নাওবৈচা গাঁৱৰ ত্ৰৈলোক্য শইকীয়া বুলি চিনাক্ত কৰা হৈছে।

০০০০০০

ডিব্ৰুগড় জিলাৰ নিজ ৰহমৰীয়া গাঁও নিবাসী বিশিষ্ট সমাজ সেৱক, ব্যৱসায়ী কৈলাশ দত্তৰ আজি পুৱা ডিব্ৰুগড়ৰ এখন ব্যক্তিগত চিকিৎসালয়ত মৃত্যু হয়। মৃত্যুৰ সময়ত তেওঁৰ বয়স আছিল ৫০ বছৰ।

০০০০০০

**সমাপ্ত**